# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়

মির্জা - ৭৮১১২৫, কামৰূপ ঃ অসম

# DAKSHIN KAMRUP GIRLS' COLLEGE

Mirza - 781125, Kamrup, Assam

স্থাপিত ঃ ১৯৮৮ ইং চন

E-mail : dkgcmirza1988@rediffmail.com

☎ : 03623-230047

Website : www.dkgirlscollege.org


তাৰিখ ঃ ০৫-০৮-২০২১ ইং

## জাননী

ইয়াৰ দ্বাৰা দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ২০২১ বৰ্ষৰ উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ পৰীক্ষাত অবতীৰ্ণ হোৱা আৰু পৰীক্ষাৰ ফলাফলত অসন্তুষ্ট প্ৰতিগৰাকী ছাত্ৰীকে জনোৱা হ'ল যে অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে ০৪-০৮-২০২১ ইং তাৰিখে জাননী যোগে জনোৱা মতে সেই সকল ছাত্ৰীক বিশেষ পৰীক্ষাৰ সুযোগ দিছে।এই মৰ্মে উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ অসমে অহা ০৯-০৮-২০২১ ইং তাৰিখৰ পৰা ১৬-০৮-২০২১ ইং তাৰিখ আবেলি ৫.০০ বজালৈ ছাত্ৰী সকলে অন লাইন পদ্ধতিৰে পৰ্টেল (Portal) ত আবেদন কৰিব পাৰিব । ইয়াৰ কাৰণে ইচ্ছুক ছাত্ৰী সকলে এই জাননী পোৱা মাত্ৰকে মহাবিদ্যালয়ৰ কাৰ্যালয়ৰ লগত যোগাযোগ কৰিব লাগিব । কাৰণ কোনো ছাত্ৰীয়ে নিজাকৈ পৰীক্ষাৰ বাবে অন লাইন যোগে আবেদন কৰিব নোৱাৰিব । উল্লেখ থাকিল যে ব্যৱহাৰিক পৰীক্ষাৰ (Practical) নম্বৰ কোনো কাৰণতে পৰিবৰ্তন নহয় । উক্ত বিশেষ পৰীক্ষা অনুত্তীৰ্ণ নিয়মিত (Regular), উত্তীৰ্ণ হোৱা কিন্তু নম্বৰ তালিকাত অসন্তুষ্ট হোৱা (Re-appearence), পূৰ্বৰ ফলাফলতকৈ উন্নত কৰিব বিচৰা (Betterment), নিৰ্দ্দিষ্ট বিষয়ৰ বাবে পুনঃ পৰীক্ষা দিব বিচৰা (Repeat), কম্পাৰ্টমেণ্টেল আদি পোৱা ছাত্ৰী সকলে আবেদন কৰিব পাৰিব । কোনো ছাত্ৰীয়ে আগৰ Admit কাৰ্ডত থকা কোনো বিষয়ৰ কোনো কাৰণতে পৰিবৰ্তন কৰিব নোৱাৰিব । বিশেষ সূত্ৰ আৰু পদ্ধতি মতে প্ৰস্তুত কৰা প্ৰাপ্ত নম্বৰ তালিকা খন (Marksheet) বাতিল কৰা হ'ব । তাৰ ঠাইত বিশেষ পৰীক্ষাৰ নতুনকৈ মূল্যায়ন কৰা নম্বৰ তালিকা (Marksheet) ছাত্ৰী সকলে পাব । সেয়েহে পৰীক্ষাত অবতীৰ্ণ হ'ব বিচৰা ছাত্ৰী সকলে পৰীক্ষা দিয়াৰ আগতে Admit কাৰ্ড, বৰ্তমান লাভ কৰা Marksheet আৰু এখন ঘোষণা পত্ৰ স্বাক্ষৰ কৰি পৰীক্ষা কেন্দ্ৰ তত্বাৱধায়ক অথবা অধ্যক্ষৰ হাতত নিশ্চিত ভাৱে জমা দিব লাগিব । নিৰ্দ্ধাৰিত সময়ত ছাত্ৰী সকলৰ পৰীক্ষা সূচী সংসদে প্ৰকাশ কৰিব ।

আমাৰ মহাবিদ্যালয়ৰ বিশেষ পৰীক্ষাত অবত্তীৰ্ণ হ'ব বিচৰা প্ৰতি গাৰাকী ছাত্ৰীয়ে বিষয়টো গুৰুত্ব সহকাৰে লৈ পৰীক্ষাত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিববলৈ কোৱা হ'ল ।

অধ্যক্ষ

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মির্জা